'otal No. of Printed Pages—7

## 2 SEM TDC ASM MIL (A) 1

**2013**

( May )

# ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

**( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ লিখাঁ : ১×৮=৮

(ক) প্ৰশাসনীয় বিষয়া, জিলাৰ উপায়ুক্ত আদিলৈ সম্বোধন কৰি লিখা পত্ৰক কি পত্ৰ বুলি কোৱা হয়?

(খ) অভিধানত ব্যৱহৃত সংক্ষিপ্ত ৰূপ 'স্ত্রী' আৰু 'ক্রি'ৰ পূৰ্ণ ৰূপ লিখাঁ।

(গ) 'নিকা অসমীয়া' গ্রন্থখনৰ লেখক কোন?

(ঘ) অসমীয়া পৰিভাষা লিখাঁ :

Convocation, Commissioner

(ঙ) অৰ্থ লিখাঁ :

কাহ, কঁাহ

(চ) শুদ্ধ ৰূপ লিখাঁ :

মুৰ শিতান, মুহুত্ত্ব

(ছ) ধাতুৰ পিছত যোগ হোৱা প্রত্যয়ক কি প্রত্যয় বুলি কোৱা হয়?

(জ) "তোমালৈ কালি ইয়াত ৰখি থাকিম।" বাক্যটি শুদ্ধকৈ লিখাঁ।

২। (ক) তোমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক-গৰাকীয়ে ৩০ মে, ২০১৩ তাৰিখে অৱসৰ গ্ৰহণ কৰিব। তেখেতক বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে সভা এখন পতাৰ অনুমতি বিচাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়লৈ এখন আৱেদনপত্ৰ লিখাঁ।





*অথবা*

(খ) কাৰ্য-বিৱৰণী বুলিলে কি বুজা? তোমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিগত বছৰৰ মহাবিদ্যালয় সপ্তাহৰ 'বঁটা বিতৰণী' সভাখনৰ কাৰ্য-বিৱৰণীখন প্ৰস্তুত কৰাঁ।

৩। (ক) তোমাৰ অঞ্চলৰ এটি যাতায়াতৰ অনুপযোগী পথ নিৰ্মাণৰ কাৰণে পঞ্চায়তৰ সভাপতিলৈ সম্বোধন কৰি এখন আৱেদনপত্ৰ লিখাঁ। ৯

*অথবা*

(খ) এজন অসমীয়া সাহিত্যিকে লাভ কৰা সাহিত্য অকাদেমি বঁটাৰ কাৰণে অভিনন্দন জনোৱাৰ উদ্দেশ্যে এখনি প্ৰশস্তি পত্ৰ প্ৰস্তুত কৰাঁ।

৪। (ক) অনুবাদৰ সংজ্ঞা আৰু অনুবাদৰ প্ৰকাৰসমূহৰ বিষয়ে এটি আলচ যুগুত কৰাঁ। ৮

*অথবা*

(খ) তলৰ যি কোনো দুটাৰ বিষয়ে চমু টোকা লিখাঁ : ৪+৪=৮

(১) ভাবানুবাদ

(২) আক্ষৰিক অনুবাদ

(৩) উৎস ভাষা (Source language)

৫। তলৰ যি কোনো এছোৰা অসমীয়ালৈ অনুবাদ কৰাঁ :

(ক) The rich Vaishnavite cultural pattern, propagated by Srimanta Sankardeva, the great socio-cultural reformer of Assam is a heritage, rich in expressive variety. Its distinctive tradition throws new light on the Vaishnavite Satra's religious practices and rituals for more than 600 years. A major part of Assam's culture, songs and literature have their roots in the Satras of Assam. The Satras play an important role in the religious and cultural life of the Assamese people. The traits of Satriya culture are accumulated in the different Vaishnavite Satras of Assam and West Bengal.

(খ) Knowledge is vast but life is limited. According to Shaw's observation, life is a continuous process of learning. Most of the school children think that they have grown up. But their idea is wrong, for no one really grows up so far learning is concerned. After escaping from school and university one finds that the real world is a bigger school. In the real world one is beset with problems of life. Even an educated person find it hard to solve some problems in the real world. So Bernard Shaw says that after leaving school his listeners will discover that the world is a bigger school where they will be mere beginners.





৬। (ক) পৰিভাষা বুলিলে কি বুজা? অসমীয়া ভাষাত সাধাৰণতে কি কি বিষয়ৰ পৰিভাষা পোৱা যায়? একোটা ভাষাত পৰিভাষাৰ কিয় প্ৰয়োজন হয়, লিখাঁ। ২+২+৪=৮

(খ) তলত দিয়া ইংৰাজী শব্দবোৰৰ অসমীয়া পৰিভাষা লিখাঁ (যি কোনো ছটা) : ১×৬=৬

(১) Sales Tax

(২) Chief Commissioner

(৩) Auditor General

(৪) Acknowledgement

(৫) Public Service Commission

(৬) Agenda

(৭) Academic Council

(৮) Casual Leave

৭। (ক) অসমীয়া ভাষাত প্ৰত্যয়ৰ সংযোগেৰে শব্দ গঠন প্ৰণালীৰ বিষয়ে আলোচনা কৰাঁ।

*অথবা*

(খ) অসমীয়া ভাষাৰ স্বৰধ্বনিৰ উচ্চাৰণ-বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখাঁ।

৮। ভাব আৰু সুৰ অনুযায়ী যতি চিন প্ৰয়োগ কৰাঁ :

অতিথি এনে মানুহকে বোলে যাৰ য'তে ৰাতি ত'তে কাতি যাৰ মহাদেউ প্ৰসাদ চিম্‌টা আৰু ধূলি মাকতিয়েই সম্বল যাৰ থাকিবলৈ ঘৰ নাই মাতিবলৈ মিতিৰ কুটুম সিয়েই জানিবা এদিন তহঁতৰ ঘৰলৈ আহিল আহি সন্ধিয়া তহঁতক ক'লে ইয়াতে থাকোঁ বুলি ভৰিত জোতা মোজা নাই বুলি খেদি দিবি কেলেই দিম গধূলিৰ আলহী যে সাক্ষাৎ দামোদৰ তহঁত কম ল'ৰা নহৱ গধূলিৰ আলহী যে সাক্ষাৎ দামোদৰ তাকো জান বঢ়িয়া ল'ৰা বঢ়িয়া ল'ৰা কেনেকৈ ককা

৯। (ক) তলৰ খণ্ডবাক্যকেইটিৰে একোটিকৈ বাক্য সাঁজা :

সোণৰ সোলেং ; এলাই বাদু ; ফুটুকাৰ ফেন ; মূৰে ভৰি কাঢ়।



( Continued )



10

(খ) যি কোনো তিনিটাৰ বিষয়ে লিখাঁ : ৩×৩=৯

(১) যৌগিক বাক্য

(২) অনুৰূপ শব্দ

(৩) হাইফেন বা পদ যোজক ৰেখা

(৪) বাক্যত পদৰ ক্ৰম

★★★